بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**উহুদৰ যুদ্ধত আৰু হামৰাউল আছাদৰ যুদ্ধৰ লগত সংলগ্ন থকা আঁহজৰত (ছাঃ)ৰ জীৱনীৰ এটা ঈমান বৰ্দ্ধক বৰ্ণনা আৰু পূৰ্বৰ দেশবোৰৰ পতনমূখী অৱস্থাৰ অৱসানৰ বাবে দোৱাৰ তেহেৰিক**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৯ এপ্ৰিল ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে উহুদৰ যুদ্ধৰ ঘটনা সম্পৰ্কে আৰু কিছুমান কথা বৰ্ণনা কৰিবলৈ আছে। যিবিলাক ঘটনাৰ পৰা আঁহজৰত (ছাঃ)ৰ জীৱনীৰ সুন্দৰ অংশবোৰ আমি জানিব পাৰিম। হজৰত জাবেৰ বিন আব্দুল্লাহ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে তেখেতৰ দেউতাক হজৰত আব্দুল্লাহ বিন উমৰু (ৰাঃ)ৰ যেতিয়া মৃত্যু হৈছিল তেখেত (ৰাঃ) ঋণগ্ৰস্ত অৱস্থাত মৃত্যু বৰণ কৰিছিল। তেতিয়া মই নবী কৰিম (ছাঃ)ৰ সহায় বিচাৰিছিলো যে তেখেত (ছাঃ)য়ে যেন ঋণদাতা সকলক ঋণৰ পৰিমাণ কমাই দিবলৈ কয়। তেতিয়া আঁহজৰত (ছাঃ)য়ে সেই ঋণদাতা সকলক বুজাই কোৱা সত্ত্বেও ঋণৰ পৰিমাণ কমাই দিয়া নাছিল। এনে পৰিস্থিতি চাই তেখেত (ছাঃ)য়ে মোক কৈছিল যোৱা, গৈ পেলাই তোমাৰ খেজুৰবিলাক বিধে বিধে ৰাখি মোক খবৰ দিবা। গতিকে মই তেনেকুৱাই কৰিছিলোঁ আৰু পিছত হুজুৰ (ছাঃ)ক খবৰ পঠিয়াইছিলো। তেখেত (ছাঃ)য়ে মোৰ খেজুৰৰ দমৰ ওচৰত আহি সেই দম বিলাকৰ মাজত বহি লয় আৰু মোক আদশ দিয়ে যে তুমি সিহঁতক খেজুৰ বিলাক জোখি দিয়া। গতিকে মই ঋণদাতা সকলক খেজুৰ বিলাক সিহঁতৰ প্ৰাপ্য জোখত পৰিশোধ কৰাৰ পিছতও মোৰ খেজুৰ ৰাহি হৈছিল। মোৰ অনুমান হৈছিল যে খেজুৰত একো কমেই হোৱা নাই।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয়, হজৰত ছাআদ বিন মুৱাজ )ৰাঃ)ৰ বৃদ্ধ মাকে আঁহজৰত (ছাঃ)ৰ প্ৰতি থকা মৰমৰ আবেগত মদিনাৰ পৰা ওলাই আহিছিল। এই সম্পৰ্কে যোৱা জুমাৰ খোতবাত বৰ্ণনা কৰা হৈছে যে আঁহজৰত (ছাঃ)য়ে নিজৰ ঘোঁৰা ৰখাই ছাআদৰ মাকক তাইৰ পুত্ৰৰ শ্বাহাদত সম্পৰ্কে আফছোচ কৰি

শুনাইছিল। এই ঘটনাখিনি বৰ্ণনা কৰাৰ পিছত হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে এই ঘটনাটোৰ ওপৰত চিন্তা কৰা আৰু চোৱা আঁহজৰত (ছাঃ)য়ে কেনেকুৱা সহানুভূতি দেখুৱাইছিল, যিজনেই শোক, দুখত জৰ্জৰিত হৈছিল তাকেই সমবেদনা জনাইছিল। ইয়াৰ পিছত সেই বৃদ্ধ মহিলা জনীক আঁহজৰত (ছাঃ)য়ে কৈছিল, তুমি আনন্দিত হোৱা আৰু সকলো সেই ভাই ভনী সকলক যাৰ আত্মীয়-স্বজন ৰণত শ্বহীদ হৈছে এই সুসংবাদ দিয়া যে যি সকলে এই যুদ্ধত শ্বহীদ হৈছে, আল্লাহ তা'লা সিহঁতক জান্নাতত একেলগে ৰাখিছে আৰু সকলোৰে দোৱা কৰি আছে যে হে আল্লাহ, আমাৰ উত্তৰাধিকাৰী সকলক নিৰাপদে ৰাখা। ইয়াৰ পিছত তেখেত (ছাঃ)য়ে নিজেও দোৱা কৰে যে হে খোদা ! উহুদৰ শ্বহীদ সকলৰ উত্তৰাধিকাৰী সকলৰ বাবে উত্তম নিৰাপত্তা ৰক্ষীৰ জন্ম দিয়া।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে এই বৰ্ণনাৰ পৰা ধাৰণা হয় যে আঁহজৰত (ছাঃ)য়ে উহুদৰ পৰা ওভতি আহি মদিনাত প্ৰৱেশ কৰাৰ আগতেই উহুদৰ শ্বহীদ সকলৰ আত্মীয়-স্বজন সমবেদনা জনাইছিল আৰু তেওঁলোকৰ প্ৰতি এটা সহানুভূতি প্ৰকাশ কৰে যদিও সেই সময়ত আঁহজৰত (ছাঃ) নিজে আহত অৱস্থাত আছিল। আঁহজৰত (ছাঃ)ৰ অতি নিকট আত্মীয় সকলে উহুদত শ্বাহাদত বৰণ কৰে আৰু অতি চেনেহৰ চাহাবা সকল শ্বহীদ হোৱা সত্বেও তেখেত (ছাঃ)য়ে মদিনাৰ লোকৰ শোক সন্তাপত নিজে উপলব্ধি কৰা নাছিল। যিয়েই নহওঁক তেখেত (ছাঃ)ৰ বাহিৰে আৰু কোনো ব্যক্তি এনেকুৱা হ'ব নোৱাৰে, যিয়ে ইমান দুঃখ কষ্ট  বহন কৰি আনৰ শোক সন্তাপত সিহঁতক সমবেদনা জনাব বা তেওঁলোকলৈ সহানুভূতি প্ৰকাশ কৰিব।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে আমি উহুদৰ যুদ্ধত আঁহজৰত (ছাঃ)য়ে এটা উচ্চ পৰ্যায়ৰ নৈতিকতা আৰু বীৰত্ব প্ৰদৰ্শন কৰাটো দেখিবলৈ পাওঁ। ইয়াৰ লগতে তেখেত (ছাঃ)য়ে লোকৰ প্ৰতি এটা অন্যতম সহানুভূতি প্ৰদৰ্শন কৰে। উহুদৰ যুদ্ধৰ পৰিস্থিতিয়ে আঁহজৰত (ছাঃ)ৰ উত্তম চৰিত্ৰ আৰু উচ্চ মৰ্যাদাৰ চানেকি বহন কৰি আছে লগতে চাহাবা সকলৰ দৃষ্টান্ত বিহীন কোৰবাণীৰ সাক্ষ্য বহন কৰি আহিছে। যুদ্ধ শেষ হোৱাৰ পিছত আঁহজৰত (ছাঃ)য়ে মদিনালৈ ওভতি আহি আছিল, মদিনাৰ মহিলা সকলে তেখেত (ছাঃ)ৰ শ্বাহাদতৰ খবৰ শুনি শোকাবিভুত হৈ পৰিছিল এনে অৱস্থাত আঁহজৰত (ছাঃ)য়ে ওভতি অহাৰ খবৰ শুনি তেখেত (ছাঃ)ক অভিবাদক জনাবলৈ মদিনাৰ পৰা ওলাই বাটে বাটে আগবাঢ়ি আহিছিল। সেই মহিলা সকলৰ মাজত আঁহজৰত (ছাঃ)ৰ খুলশালি হজৰত হামনা বিনতে জুহাশ (ৰাঃ)ও আছিল, যিজনী হজৰত মুচাআব বিন উমেৰ (ৰাঃ)ৰ পত্নী আছিল। ৰছুলুল্লাহ (ছাঃ)য়ে যেতিয়া হজৰত হামনা (ৰাঃ)ক তাইৰ মামা হজৰত হামজা (ৰাঃ) আৰু তাইৰ ভাই আব্দুল্লাহ বিন জুহাশ (ৰাঃ)ৰ শ্বাহাদতৰ খবৰ দিছিল, তেতিয়া তাই ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি পঢ়ি শ্বহীদ সকলৰ উচ্চ প্ৰাপ্তিৰ বাবে দোৱা কৰিছিল। কিন্তু নিজৰ স্বামী হজৰত মুচাআব বিন উমেৰ (ৰাঃ)ৰ শ্বাহাদতৰ খবৰ শুনি তাইৰ চকুলো বৈ আহে আৰু কয়, হায়ৰে পৰিতাপ ! এই অৱস্থা চাই ৰছুলে কৰিম (ছাঃ)য়ে কৈছিল চোৱা! নিজৰ স্বামীৰ প্ৰতি মহিলা সকলৰ কিমান গভীৰ প্ৰেমাময় সম্পৰ্ক আছে। আঁহজৰত (ছাঃ)য়ে আৰু কৈছিল মহিলা সকলে এনেকুৱা অৱস্থাত নিজৰ আত্মীয়-স্বজনক পাহৰি যায় কিন্তু তাইক মৰম দিয়া স্বামীক পাহৰিব নোৱাৰে। ইয়াৰ পিছত তেখেত (ছাঃ) হামনা (ৰাঃ)ক সুধিছিল যে তুমি স্বামীৰ মৃত্যুৰ খবৰ শুনি হায় আফচোচ বুলি কিয় কৈছা ? তেতিয়া হামনা (ৰাঃ)য়ে কৈছিল, ইয়া ৰছুলুল্লাহ! মোক তাৰ পুত্ৰৰ কথা মনত পৰিছিল যে তাক কোনে চোৱা চিতা কৰিব ? তেতিয়া

আঁহজৰত (ছাঃ)য়ে কৈছিল মই আল্লাহ তা'লাৰ ওচৰত দোৱা কৰো, খোদা তা'লাই তাক স্বামীতকৈ যেন উত্তম চোৱাচিতা কৰা কাকো জন্ম দিয়ে। এই দোৱাৰ ফল এয়া হৈছিল যে হজৰত হামনা (ৰাঃ)ৰ পিছত গৈ হজৰত তালহা (ৰাঃ)ৰ সৈতে বিয়া হৈছিল আৰু তাৰ ঔৰসত মহম্মদ বিন তালহাৰ জন্ম হয়। কিন্তু ইতিহাসত উল্লেখ আছে যে হজৰত তালহা (ৰাঃ)য়ে নিজৰ পুত্ৰ মহম্মদক যিমান ভাল পাইছিল আৰু মৰম কৰিছিল তাতকৈ বেছি মৰম হজৰত হামনা (ৰাঃ)ৰ প্ৰথমজন ল'ৰাক কৰিছিল। যাৰ ফলত লোকে কৈছিল বেলেগৰ সন্তানক ইমান মৰম দি লালন-পালন কৰা তালহাৰ বাহিৰে কাকো দেখা নাই।

এই ঘটনাৰ বৰ্ণনা কৰোঁতে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে চোৱা। এজনী মহিলাই তাইৰ স্বামীক কিমান ভাল পায়। গতিকে ইয়াৰ দ্বাৰা শিক্ষনীয় কথা হ'ল, পুৰুষ সকলে নিজৰ পত্নীৰ সৈতে উত্তম আচৰণ কৰা উচিত আৰু সাধাৰণ কথাতে তেওঁলোকক যাৰ ধৰ কৰা, গালি-গালাজ কৰা উচিত নহয়। যেতিয়া এজনী মহিলাই নিজৰ আত্মীয় স্বজনক এৰি আহি বেলেগৰ লগত থাকে, তেতিয়া ন্যায় বিচাৰ হ'ল এয়া যে সিহঁতক সন্মান দিয়া যায় আৰু এয়া যেন নহয় যে কথাত কথায় সিহঁতৰ লগতৰ কাজিয়া ফাছাদ কৰা হয়। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে প্ৰত্যেক কথাতে এটা শিকিবলগীয়া পাঠ আছে, গতিকে মানুহে মনোযোগেৰে শুনিব লাগে আৰু চিন্তা কৰা উচিত যে আঁহজৰত (ছাঃ)ৰ বাণী সমূহ কেৱল সেই সময়ৰ লোকৰ বাবে নাছিল বৰং এয়া সৰ্বজনৰ বাবেই নচিহত স্বৰূপ।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে উহুদৰ পৰা আহি তেখেত (ছাঃ)য়ে যেতিয়া মদিনাত প্ৰৱেশ কৰে তেতিয়া মদিনাৰ সেই বিলাক মহিলা যাৰ আত্মীয় সকল যুদ্ধত শ্বহীদ হৈছিল, খবৰ পাই তেওঁলোকে কন্দা-কটা আৰম্ভ কৰিছিল। আঁহজৰত (ছাঃ)য়ে সেই কান্দোনৰ শব্দ শুনি মুছলমান সকলৰ দুঃখ কষ্টৰ কথা মনত পেলাই চকুলো টুকিবলৈ আৰম্ভ কৰে আৰু কয় মোৰ খুৰাদেউ হামজা (ৰাঃ) শ্বহীদ হৈছে, তাৰ বাবে আজি কান্দিবলৈ কোনো নাই। এই কথা শুনি সেই চাহাবা সকল যি সকলে নবী (ছাঃ)ৰ ইচ্ছা পূৰণ কৰিবলৈ সদায় ব্যস্ত থাকিছিল, তেওঁলোকে দৌৰি নিজৰ নিজৰ ঘৰত গৈ মহিলা সকলক কৈছিল ঠিক আছে। এতিয়া তোমালোকে নিজৰ আত্মীয় সকলৰ বাবে কন্দা বন্ধ কৰা আৰু ৰছুলুল্লাহ (ছাঃ)ৰ ঘৰত গৈ হজৰত হামজা (ৰাঃ)ৰ বাবে শোক প্ৰকাশ কৰা। এনেতে আঁহজৰত (ছাঃ)য়ে ক্লান্ত হৈ অহাত অলপ বাগৰ দিছিল, যেতিয়া ইশাৰ নামাজৰ সময় হৈ আহিছিল তেতিয়া হজৰত বিলাল (ৰাঃ)য়ে গৈ হুজুৰ পাক (ছাঃ)ক জগাই দিছিল। তেখেত (ছাঃ)য়ে সাৰ পাই দেখিছিল যে মহিলা সকলে তেখেত (ছাঃ)ৰ ঘৰত গৈ হজৰত হামজা (ৰাঃ)ৰ বাবে নুহা কৰি আছে। তেতিয়া আঁহজৰত (ছাঃ)য়ে কৈছিল এয়া কি কৰি আছে? তেতিয়া এজনে জনাইছিল ইয়া ৰছুলুল্লাহ ! মদিনাৰ মহিলা সকলে হজৰত হামজাৰ মৃত্যুত শোক সন্তাপ কৰি কান্দি আছে। তেতিয়া তেখেত (ছাঃ)য়ে কৈছিল মই জানো আনছাৰ সকলে মোক বৰ ভাল পায়। লগতে এয়াও কয় যে এনেদৰে নুহা (কন্দা-কটা) কৰা আল্লাহ তা'লা ভাল নাপায়। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কয় যে আঁহজৰত (ছাঃ)য়ে হজৰত হামজা (ৰাঃ)ৰ মৃত্যুত কাকো কান্দিবলৈ নিষেধ কৰিছিল। সেই সময়ছোৱাত তেখেত (ছাঃ)ৰ আবেগ অনুভুতি কেৱল সমবেদনা জনোৱাৰ ওপৰত আছিল। যেতিয়া তেখেত (ছাঃ)য়ে কন্দা-কটা কৰি থকা সকলক কান্দিবলৈ মানা কৰিছিল তেতিয়াও এখেত (ছাঃ)ৰ মনৰ অৱস্থা একেই আছিল। আঁহজৰত (ছাঃ)য়ে সকলোকে মানা কৰি দি তেওঁলোকৰ শলাগ লৈছিল। এই পদ্ধতি বৰ সুন্দৰ আৰু মহান পদ্ধতি হিচাপে গণ্য হয়, যি ইমান শোকাকুল পৰিস্থিতিত তেখেত (ছাঃ)য়ে অৱলম্বন

কৰিছিল।
যেতিয়া নবী কৰিম (ছাঃ)য়ে নিজৰ ঘৰত প্ৰৱেশ কৰি নিজৰ তৰোৱাল ডাল ফাতিমা (ৰাঃ)ৰ হাতত দিছিল তেতিয়া কৈছিল হে মোৰ জীয়ৰী এই তৰোৱাল ডালৰ তেজৰ চেকা ধুই দিয়া। আল্লাহৰ শপত ! আজি এই তৰোৱালে হ'ক আদায় কৰিছে। ইয়াৰ পিছত হজৰত আলি (ৰাঃ)য়েও নিজৰ তৰোৱাল হাতত চেপিবলৈ একেই কথা কৈছিল যি কথাখিনি ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল। হজৰত আলি (ৰাঃ)ৰ কথা শুনি ৰছুলুল্লাহ (ছাঃ)য়ে আন কিছুমান চাহাবাৰ নাম মাতি মাতি কৈছিল তেওঁলোকেও বৰ বীৰত্ব প্ৰদৰ্শন কৰিছে। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই সংক্ৰান্তে কৈছে যে আঁহজৰত (ছাঃ)য়ে এয়াও সহ্য কৰা নাছিল যে তেখেত (ছাঃ)ৰ জোৱায়েকে এনেকুৱা কথা ক'ব যে যাৰ দ্বাৰা বেলেগ চাহাবা সকলে মনত দুঃক পাব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে উহুদৰ যুদ্ধৰ ঘটনাৰ বিৱৰণী ইমানতেই অন্ত পৰিল। আন এটা যুদ্ধ সম্পৰ্কে বৰ্ণনা কৰিবলৈ আছে, যাৰ নাম হ'ল হামৰাউল আছাদৰ যুদ্ধ। এই যুদ্ধ তিনি হিজৰীৰ শ্বোৱাল মাহত সংঘটিত হৈছিল। এই যুদ্ধ দৰাচলতে উহুদৰ যুদ্ধৰ অংশ বা শাখা বুলি ধৰা হয় আৰু এই যুদ্ধৰ ফলাফলৰ ভিত্তিত উহুদৰ প্ৰকৃত বিজেতা মুছলমান সকলক গণ্য কৰা হয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বৰ্ণনা কৰিবলৈ আৰু কিছুমান ঘটনা আছে, সেইবোৰ ইনশা আল্লাহ আগলৈ বৰ্ণনা কৰা হ'ব। আপোনালোকে দোৱা জাৰি ৰাখিব। যেনেকৈ ধাৰণা কৰা হৈছিল তেনেকৈয়ে ইজৰাইলে ইৰাণৰ ওপৰত আক্ৰমণ চলাইছে। সকলোৱে জানে ভৱিষ্যতলৈ পৰিস্থিতি আৰু বেয়া হ'ব। আল্লাহ তা'লা এই জাগতিক নেতৃবৃন্দক বিবেক বুদ্ধি দান কৰক, আৰু তেওঁলোকক তৌফিক দিয়ক, যাতে তেওঁলোকে ঐক্যবদ্ধ হৈ প্ৰতিদ্বন্দ্বিতাৰ শুদ্ধ পথ বাছি ল'ব পাৰে আৰু প্ৰজ্ঞা বুদ্ধি আহৰণ কৰিব পাৰে।

খোতবাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে দুজন মহহুমৰ অৰ্থাৎ মকৰম মৌলানা গোলাম আহমদ চাহাব নছিম (মুৰব্বী ছিলছিলা আমেৰিকা) আৰু মকৰম এহছান উল্লাহ জাফৰ চাহাব (প্ৰাক্তন আমিৰ জামাত আমেৰিকা)ৰ বিষয়ে চমু বিৰৰণ আগবঢ়াই মৰহুমিন সকলৰ নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। আল্লাহ তা'লা এওঁলোকক উচ্চ মৰ্যাদাৰ স্থানত ঠাই দিয়ক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 19 APRIL 2024

**BOOK POST (PRINTED MATTER)**

TO,
..................................................................................................................
..................................................................................................................
..................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844